# প্ৰবন্ধ প্ৰতিযোগিতাত অংশগ্ৰহণৰ কৰাৰ উদ্দেশ্যে

**প্ৰবন্ধৰ বিষয়:**

দিচাং নদী: প্ৰদূষণ, সংৰক্ষণ আৰু তোমাৰ অভিজ্ঞতা

**নাম:** শ্ৰী চয়নিকা দত্ত

**মহাবিদ্যালয়ৰ নাম:** দেৱীচৰণ বৰুৱা বালিকা মহাবিদ্যালয়, যোৰহাট, অসম।

**শ্ৰেণী:** স্নাতক তৃতীয় ষাণ্মাসিক, ভূগোল বিভাগ।

**ফোন নং:**= ৭০৮৬৩৯৬৮৫০

"অসমী আই ৰূপহী গুনৰো নাই শেষ ভাৰতৰে পূৰ্ব দেশৰ সূৰ্য উঠা দেশ।" অসম এখন নদীমাতৃক দেশ। প্ৰাকৃতিক সৌন্দৰ্য্যৰে মোহময়ী অসমীৰ বুকুত নদী, উপনৈ, জান-জুৰি, নিজৰাৰ প্ৰবাহমান প্ৰকৃতিৰ অনুপম, মনোৰম স্থিতি। মহাবাহু ব্ৰহ্মপুত্ৰত বিভিন্ন উপনৈবোৰ মিলিত হৈছে। যেন মহামিলনৰ অৰ্ঘ্যত সুষমা ঢালিছে। লুইতৰে পৰা বৰাকলৈ, দিখৌৰ পৰা সোৱণশিৰিলৈ কঁত নদ-নদীৰ পাৰে পাৰে অসমৰ মানুহৰ সভ্যতা-সাংস্কৃতিৰ সেউজ সোনালী বাৰাৰে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিবেশ অতি মনোমোহা। জলসম্পদত উত্তৰ-পূৰ্বাঞ্চল তথা অসম অতি চহকী। বিশেষকৈ অস এই অঞ্চলৰ মাজেৰে প্ৰবাহিত হোৱা আন্তৰ্জাতিক ব্ৰহ্মপুত্ৰ নদী আৰু এই ব্ৰহ্মপুত্ৰৰ বিভিন্ন নৈ-উপনৈ। এই সৰু বৰ নৈ-উপনৈ সমূহৰ ভূমিকা আমাৰ সমাজত তথা আমাৰ জীৱন-প্ৰণালীত অতি গুৰুত্বপূৰ্ণ। এই নদী-উপনৈ সমূহেই আমাৰ জীৱনৰেখা। সময়ে সময়ে বিভিন্ন দিশত এই নদী সমূহে প্ৰভাৱ পেলাই আহিছে। এই নদী সমূহৰ ভিতৰত এখন অতি গুৰুত্বপূৰ্ণ উপনৈ হ'ল— 'দিচাং নদী', যি খন নদীৰ প্ৰদূষণ, আৰু সংৰক্ষণৰ দিশতো বৰ্তমানে অতি লক্ষ্যণীয় হৈ পৰিছে। অতীজৰে পৰা দিচাং নৈ খনৰ যি গুৰুত্বতা সেয়া সাম্প্ৰতিক সময়ত এক আলোচিত বিষয় হৈ পৰিছে। বৰ্তমান দিচাং নৈৰ সংৰক্ষণ আৰু প্ৰদূষণ বিষয়টো আমাৰ সমাজব্যৱস্থাত খুবেই প্ৰাসংগিক হৈ পৰিছে।

দিচাং নৈ খন অৰুণাচলৰ পৰা আহি অসমৰ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ সীমাৰূপে কিছুদূৰ বৈ পাছত শিৱসাগৰ জিলাৰ মাজেদি গৈ ব্ৰহ্মপুত্ৰত পৰিছে। এই নদীখনৰ উৎস হ'ল – অৰুণাচলৰ টিৰাপ জিলাৰ দক্ষিণ অংশৰ পাটকাই পৰ্বতৰ ২৫০০ মিটাৰ ওখ পাটকাই বুম ছাং। এই অৱস্থানত নদীখনক 'টিছা' নামেৰে জনা যায়। শিৱসাগৰ, আৰু ডিব্ৰুগড় জিলাৰ মাজৰ সীমাৰ পৰাহে নদী খনে 'দিচাং' নাম লয়। দিচাং নৈৰ আগৰ নাম দিল্লিহ বা দিল্লি। দিচাং নৈৰ দীঘ ২৩০ কি.মি আৰু অৱবাহিকাৰ কালি ৩৯৫০ বৰ্গ কি.মি। নদীখনেদি প্ৰৱাহিত হোৱা পানীৰ সৰ্বোচ্চ, সৰ্বনিম্ন আৰু গড় পৰিমাণ প্ৰতি ছেকেণ্ডত যথাক্ৰমে- ১০৭৮, ১.৪ আৰু ৯১৫ ঘনমিটাৰ। নৈ খনে বছৰি গড়ে ২১৯ হেক্টৰ মিটাৰ উৰ্টি - তাহি ক্ষুৰা গেদ কঢ়িয়াই নিয়ে। উজনি অঞ্চলত নৈখনৰ গতি সৰ্পিল। ইয়াত নৈখনে বহলে প্ৰায় ১০০ মিটাৰ আৰু গভীৰতা সৰ্বাধিক ১২ মিটাৰ। দিচাংৰ প্ৰবাসুঁতিৰ পৰা বৰ্তমান ভালেমান বিল হৈছে। এইবোৰৰ ভিতৰত গৰৈমাৰী, ঘেৰেহি, ভেৰাণি, বগা, হাতীমৰা, কানী, বৰ, কটনী, মৰাদিচাং আদি উল্লেখযোগ্য।

দিচাংৰ প্ৰধান উপনৈ সমূহ হ'ল – টিমন, টিওকাক, চক্ৰাই, ডিমৌ আদি।

পৰিতাপৰ বিষয় যে - এই নদীখনত যথেষ্ট পৰিমাণে বৰ্তমান প্ৰদূষিত হৈছে। ইয়াৰ প্ৰথম মূল কাৰণ হ'ল- স্থানীয় বাসিন্দাসকল বা জনসাধাৰণ। বৰ্তমান এই নদীখন কিছু অৱহেলিত 'অৱস্থাত' অৱস্থাত আছে। কেৱল সমস্ত আৱৰ্জনা কঢ়িওৱাটোহে নদীখনৰ কাম।

2021.10.05 15:51

যিহেতু, দিচাং নদীখন পৰ্যটনস্থলী ৰূপেও গণ্য কৰা হয়। সেয়েহে আজি অধিক পৰিমানে প্ৰদূষিত হৈছে এই নদীখন। এই ভাবে এই ক্ষেত্ৰত জনসাধাৰণৰ উচিত সচেতনতাৰ প্ৰয়োজন। আমোদ - প্ৰমোদৰ বাবে তেওঁলোকে ভ্ৰমণ কৰিছে, নদীখনক উপভোগ কৰিছে। কিন্তু এইটো নহয় যে- তেওঁলোকে নদীখন বা পাৰে-বায়ে যিকোনো বস্তু পেলাই নদীখনক কলুষিত কৰিব। নদীখনৰো জীৱন আছে। নদীখনক লেতেৰা নকৰি, পৰিষ্কাৰ কি সজাই ৰখাই আমাৰ প্ৰত্যেকৰে কৰ্তব্য। যিমানেই নদীখনক আমি সুন্দৰভাৱে ৰূপ দিম। সিমানেই নদীখনে আমাক সৌহাদ্যপূৰ্ণ কৰি তুলিব। গতিকে, এইক্ষেত্ৰত সচেতনতাৰ প্ৰয়োজন।

মীন - পালন, নৌ পৰিবহন এখন নদীৰ বাবে অতি উল্লেখনীয়। নদীখনত যদি আমি মীন পালনৰ ব্যৱস্থা কৰোঁ তেতিয়া বহুখিনি লোক স্ব-নিয়োজিত হ'ব পাৰিব। যিহেতু নদীখনৰ বিভিন্ন উপনৈ আৰু জলাহ আছে। এই সকলোবোৰতে মীন পালনৰ গুৰুত্বতা অধিক হ'ব। নৌ পৰিবহনৰ ক্ষেত্ৰত দেখা যায় দিচাং নদীত কাঠৰ নাওঁৰ ব্যৱহাৰ। কিন্তু খুউব কম পৰিমানেহে দেখা যায়। তাৰ বাবে উন্নত ব্যৱস্থা গ্ৰহন কৰা লক্ষ্যনীয়। কিয়নো তাৰ

বেছিভাগ পোৰ আৱৰ্জনাও পেলোৱা হয়। কিন্তু তাৰ আগতে কোনো ধৰণৰ বিশুদ্ধিকৰণৰ ব্যৱস্থা লোৱা নহয়। এইবোৰৰ লগত ঔদ্যোগিক আৱৰ্জনা বোৰ গোট খাই স্বাস্থ্যৰ কাৰণে নতুন নতুন সমস্যাৰ সৃষ্টি কৰিছে। যিহেতু জনসংখ্যাৰ বৃদ্ধিৰ হাৰ দ্ৰুতগতিত বাঢ়িব ধৰিছে। সেয়ে, বৃহৎ পৰিমানৰ আৱৰ্জনা সৃষ্টিৰ লগতে অপৰিষ্কাৰ পানীৰ পৰিমাণো বাঢ়িব ধৰিছে। বিশেষকৈ আৱৰ্জনা বোৰত পচনশীল জৈৱিক পদাৰ্থ আছে। তাৰ ভিতৰত প্ৰটিন, এষ্টাৰ, প্ৰটিনযুক্ত পদাৰ্থ, এমাইন, এমাইড, এমাইন শৰ্কৰাবোৰ। ইয়াৰ বাহিৰে ইয়াত থাকে বিভিন্ন অনুজীৱ তাৰে কিছুমান বেমাৰৰ কাৰণো হ'ব পাৰে। নদীখন আমাৰ প্ৰাণ কিন্তু, কিছু কিছু ক্ষেত্ৰত দেখা যায় যে ইয়াৰ স্থানীয় বাসিন্দাসকলেই একেইখিনি পানীত বিভিন্ন ধৰণে গা-ধোৱা, বাচন-ধোৱা, কাপোৰ ধোৱা আদি নানা দিশত ব্যৱহাৰ কৰিছে। লগতে জীৱ-জন্তুৰ মৰাশয়, মলমূত্ৰ আদিৰ পৰা বিভিন্ন কাৰণত নদীখন প্ৰদূষিত হৈছে। সেয়েহে বৰ্তমান ৰূপত পৰি থকা অৱহেলিত ৰূপে গণ্য কৰা নদীখনৰ সংৰক্ষণ কৰাটো অতি বিচাৰ্যমূলক বিষয় হৈ পৰিছে।

যিহেতু দেখা যায় যে বাৰিষাকালত বৰষুণৰ পৰিমান পৰ্যাপ্ত হ'লে এই নদীখনত পানীৰ স্তৰ বৃদ্ধি হৈ গৰাখহনীয়া আৰু বানপানীৰ সৃষ্টি কৰে। যাৰ গৰাখহনীয়া হোৱাৰ ফলত মাটিৰ আয়তন হ্ৰাস হৈ আহিছে ক্ৰমাৎ আৰু নদীৰ পাৰৰ সেই স্থানীয় লোকসকলে কৰা

খেতি-বাতিত এক বিশেষ প্ৰভাৱ পৰিছে। মূল কথা হ'ল- দিচাং নদীৰ প্ৰধান গৰাখহনীয়া। এই গৰাখহনীয়াক প্ৰথমে হ্ৰাস কৰিবৰ বাবে উচিত পদক্ষেপ ল'ব লাগে। যেনে- নদীখনৰ পাৰত পৰ্যাপ্ত হাৰে গছ-গছনি ৰোপন কৰিব লাগে। মাটিৰ বেগ দি পাৰটো মজবুত হাৰে বন্ধাৰ ব্যৱস্থা কৰিব লাগে।

দ্বিতীয় কথা হ'ল বানপানী। বানপানীয়ে বিশেষ ৰূপত ক্ষতি কৰিছে এই অঞ্চলৰ স্থানীয় বাসিন্দাসকলক। এখন নদী কিছুসংখ্যক লোকৰ বাবে জীৱন-প্ৰনালী, আজি কোনোৱে হয়তো, সেই নদীৰ পৰা পোৱা মাছ-কাছ আদিক লৈয়েই জীৱিকা নিৰ্বাহ কৰিছে। কোনোৱে নদীৰ পাৰত কৰা খেতি-বাতিৰ দ্বাৰাহি জীৱন চলাইছে। কিন্তু বানপানীৰ প্ৰলয়ংকাৰী ৰূপে নদীখনৰ স্থানীয় অঞ্চলসমূহত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। তাৰ কাৰণে উচিত পদক্ষেপ গ্ৰহন কৰাটো অতি গুৰুত্বপূৰ্ণ।

দৰাচলতে, চাবলৈ গ'লে সংৰক্ষণৰ কিছুমান দিশ পোৱা যায়। যে- আমি দেখিছো যে অসমৰ আজি বহুত অৱহেলিত নদীত পানীৰ দ্বাৰা জলসিঞ্চন, খোৱাপানী আঁচনি কাৰ্যকৰী হৈছে। গতিকে দিচাং নদীৰ ক্ষেত্ৰত তেনে ব্যৱস্থা অৱলম্বন কৰিলে জনসাধাৰণ বহু পৰিমাণে লাভৱান্বিত হ'ব।

পৰা নাঁৱৰীয়া সকলোৰে জীৱন চলোৱাৰ এটি মাধ্যম হ'ব আৰু বাকী লোকসকলোৰো উন্নতি হ'ব।

এনেদৰেই, নদীখনৰ সংৰক্ষণৰ বাবে বিভিন্ন পন্থা অৱলম্বন কৰিব লাগে। ঘৰ-বাৰী সজা, বাট-পদূলি বন্ধা আৰু খেতিৰ বাবে পথাৰ কৰাৰ বাবে বহুত সৰু-সুৰা নৈ-বিল নিচিহ্ন হৈ যোৱাত প্ৰাকৃতিক অৱবাহ-প্ৰণালীৰ ভাৰসাম্য হেৰাই গ'ল। ইয়াৰ ফলত পৰিস্থিতিক পৰিৱেশত হেঁচা পৰিছে। সেয়েহে, নদীসমূহৰ গুৰুত্ব উপলব্ধি কৰি ইহঁতক আদৰ কৰাৰ সময় সমাগত কৰাটো বাঞ্ছনীয় হৈ পৰিছে।

—X—